# Class 11th Assamese

## পাঠ : ৭

# অসমৰ পুৰণি খেল-ধেমালি - সুবোধ মল্ল বৰুৱা

---

**_প্ৰথম গোট - গদ্য_**

**_(ক) অতি চমু প্ৰশ্ন : (মূল্যাংক -১)_**

প্ৰশ্ন ১: 'বিহু আকৌ আহিল' গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

উত্তৰঃ হেমবৰগোহাঞিয়ে 'বিহু আকৌ আহিল' নামৰ গ্ৰন্থখন ৰচনা কৰিছিল ।

প্ৰশ্ন ২: প্ৰথম আহোম ৰজাজনৰ নাম কি আছিল ?

উত্তৰঃ প্ৰথম আহোম ৰজাজনৰ নাম আছিল 'চ্যুকাফা' ।

প্ৰশ্ন ৩: ক্ৰীড়া কি ?

উত্তৰঃ ক্ৰীড়া হ'ল এক আনন্দ, শাৰীৰিক আৰু মানসিক সক্ষমতাৰ চূড়ান্ত প্ৰকাশ ।

প্ৰশ্ন ৪: বিশ্বৰ সবাতোকৈ জনপ্ৰিয় ফুটবল খেলক চীনত তাহানি কি আখ্যা দিছিল ?

উত্তৰঃ ছু-চু বুলি আখ্যা দিছিল ।

প্ৰশ্ন ৫: চীনত ছু-চু খেলৰ প্ৰচলন থকাৰ সময়ত অসমত কি কি খেলৰ প্ৰচলন আছিল ?

উত্তৰঃ কণী যুঁজ, কড়ি যুজঁ ইত্যাদি ।

## *(খ) চমু প্ৰশ্ন : (মুল্যাংক - ২/৩)*

প্ৰশ্ন ১: ঢোপ খেলৰ প্ৰচলন ক'ত, কেনেকৈ হৈছিল বৰ্ণনা কৰা ।

উত্তৰঃ ঢোপ খেলৰ জন্ম ক'ত, হৈছিল সেয়া কোনেও ক'ব নোৱাৰে । এইবিধ খেল যে আহোম যুগতো জনপ্ৰিয় আছিল তাৰ অলেখ উদাহৰণ পোৱা যায় । ব্ৰিটিছ ৰাজত্বৰ শেষছোঁৱাত তেজপুৰৰ পৰা আঠ কিলোমিটাৰ দূৰৰ মোদপীৰ ঢেকেৰিপাৰ নামৰ বৃহৎ বাকৰি এখনত এইবিধ খেলৰ সমাৰোহ অনুষ্ঠিত হৈছিল । পিছত কোকৰাঝাৰৰ বিনোদ ব্ৰহ্ম নামৰ এগৰাকী খেলুৱৈয়ে এইবিধ খেল জনপ্ৰিয় কৰি তোমাৰ বাবে প্ৰয়াস কৰিলেও ই সফল নহ'ল । আমাৰ থলুৱা খেলবিলাক একত্ৰিত কৰি ইয়াক জনমানসত প্ৰতিষ্ঠিত কৰাৰ বাবে ভাৰত চৰকাৰৰ তৰফৰ পৰা ১৯৮৯ চনত ইণ্ডিজেনাছ গেমছ নাম দি ক্ৰীড়া সমাৰোহৰ আয়োজন কৰিছিল । ইণ্ডিজেনাছ গেমছৰ সৈতে সম্পৰ্ক ৰখা ঢোপ খেলৰ সৈতে বৰপেটা অঞ্চলৰ ঐতিহ্যমণ্ডিত ঢেমনা অনা খেলৰ অনেক মিল পোৱা যায় ।

প্ৰশ্ন ২: বৰপেটা অঞ্চলত প্ৰচলিত থলুৱা খেলসমূহ কি কি ?

উত্তৰঃ বৰপেটা অঞ্চলৰ জনসাধাৰণৰ মাজত বহুবাৰ থলুৱা খেলৰ প্ৰচলন আছিল । এইসমূহৰ ভিতৰত গন্ধ হাউ, লালী, ফুৰ্তি বা গোল্লা, হাফলা, মিলা, ৰছী টনা, কুকুৰা যুঁজ, টাংগুটি, ভটা-গুটি, মুঠি ভটা, বামবোল, মংগল পাঠা, হাতবল, বৈঠাবল, তিনিঠেঙীয়া দৌৰ, টেকেলি ভঙা, গছ কপটি, থাটি কপটি আদিৰ কথা বিশেষভাৱে উল্লেখযোগ্য ।

প্ৰশ্ন ৩: ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হোৱা খেলসমূহৰ নাম লিখা ।

উত্তৰঃ ম'হ যুজঁ, বাঘ-ভালুকৰ যুজঁ, হাতী যুজঁ, আদি ৰংঘৰৰ সন্মুখত অনুষ্ঠিত হৈছিল ।

প্ৰশ্ন ৪: ইণ্ডিজেনাছ গেমছ কোনে, ক'ত কেতিয়া অনুষ্ঠিত কৰিছিল ?

উত্তৰঃ ইণ্ডিজেনাছ গেমছ ১৯৮৯ চনত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ অথবা ছাইৰ তৰফৰ পৰা শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হৈছিল ।

প্ৰশ্ন ৫: 'ফুল-ফুলতী' খেল কিদৰে খেলা হয়, পাঠৰ আধাৰত লিখা ।

উত্তৰঃ 'ফুল-ফুলতী খেল ছোৱালীৰ মাজত আৱদ্ধ আৰু সমাজ জীৱনত যথেষ্ট সমাদৃত । এই খেলত সৰু-সৰু বল বা গুটিৰে শাৰী সজোৱা হয় । প্ৰতিটো শাৰীত সমান গুটি ৰাখিব লাগে আৰু প্ৰতিটো গুটিৰ ব্যৱধানো সমান হ'ব লাগে । ইয়াৰ পিছতো প্ৰতিজন অংশ গ্ৰহণ কৰিয়ে গুটিৰ চাৰিওপিনে এটা বৃত্ত আঁকিব লাগিব । এনেদৰে বৃত্ত আকোঁতে কোনো প্ৰতিযোগিয়ে যদি গুটি স্পৰ্শ কৰে তেন্তে তেওঁক খেলৰ বাহিৰ হোৱা বুলি ধৰা হয় ।

## *(গ) দীঘল প্ৰশ্ন : (মূল্যাংক -৪/৫)*

প্ৰশ্ন ১: আহোম যুগত কোন ৰজাৰ দিনত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল ? তেওঁ খেলৰ প্ৰতি থকা মোহ কেনেদৰে প্ৰকাশ পাইছিল, তাৰ এটি চমু বৰ্ণনা দিয়া ।

উত্তৰঃ আহোম যুগত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত । আহোম ৰাজ্যৰ বিভিন্ন অঞ্চলত পুখুৰী খান্দি জলক্ৰীড়াৰ প্ৰতি (সাঁতোৰ আদি) জনসাধাৰণক আকৃষ্ট কৰিছিল । অৱশ্যে তেওঁ পেভিলিয়ন সদৃশ মঞ্চ নিৰ্মান কৰিও খেলৰ প্ৰতি থকা তেওঁৰ মোহ প্ৰকাশ কৰিছিল । তেওঁ ১৫-১৬ হাতৰ শালকাঠৰ খুটাৰে এই পেভিলিয়ন সদৃশ মঞ্চ নিৰ্মান কৰিছিল ।

প্ৰশ্ন ২: পুৰণি কালত বিহুৰ সময়ত কেনে ধৰণৰ খেল অনুষ্ঠিত হৈছিল ?

উত্তৰঃ পুৰণি কালত বিহুৰ সময়ত নৈ, পুখুৰী আদিত নাওখেল অনুষ্ঠিত হৈছিল । একেদৰে কিছুমান পাহোৱাল ডেকা ল'ৰাই মালযুঁজত ভাগ লৈছিল । এই মালযুঁজ বৰ্তমান ৰেষ্টলিং অথবা মল্লযুদ্ধৰ লেখীয়া আছিল ।

প্ৰশ্ন ৩: অহোম যুগৰ আটাইতকৈ জনপ্ৰিয় খেলবিধ কি ? এই খেল সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰঃ আহোম যুগৰ আটাইতকৈ জনপ্ৰিয় খেলবিধ হৈছে - শেন আৰু কনুৱাৰ খেল ।

শেন আৰু কনুৱাৰ খেলৰ বাবে স্থাপন কৰা হৈছিল চৰাইচোং । ছয়-সাতখন মুকলি খেল পথাৰত লৈ চিহ্নিত কৰা হৈছিল চৰাইচোঙক । শেন মেলাত অংশ লোৱা শেন চৰাইক প্ৰশিক্ষসকলে দিয়া অভিনৱ প্ৰশিক্ষণ মন কৰিবলগীয়া আছিল । বিশেষকৈ খেলৰ মাজত শেন চৰাইটোৱে কনুৱাক বধ কৰি ঠোঁটেৰে কামুৰি আকাশলৈ গৈ অভিনৱ ছন্দেৰে খৰলুটি মাৰি তললৈ নামি অহাৰ দৃশ্য চাই থাকিবলগীয়া আছিল ।

প্ৰশ্ন ৪: ঢেমনা অনা খেল কোন অঞ্চলত প্ৰচলিত ? খেলবিধৰ সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰঃ ঢেমনা অনা খেল বৰপেটাত অঞ্চলত প্ৰচলিত ।ঢেমনা অনা খেল সাধাৰণতে শীতকালত অনুষ্ঠিত হৈছিল । বৰপেটা অঞ্চলত ঢেমনা অনাৰ অৰ্থ হ'ল কোনো বিপত্নীকে বাৰী তিৰোতাক পত্নী ৰূপে অনা । দুটা দলৰ মাজত অনুষ্ঠিত এইবিধ খেলত এটা দলত ৪ জনৰ পৰা ১০ জন বা ততোধিক খেলুৱৈ থাকে । বয়সৰ তাৰতম্য লৈও খেলুৱৈৰ সংখ্যা কম-বেছি কৰা হয় । খেলৰ সঁজুলি হিচাপে এটা বল ব্যৱহাৰ কৰা হয় । এই খেলত ব্যৱহাৰ কৰা বলটো দুয়োটা দলে দলিওৱাৰ পাছত যিটো দলে অধিক ঢেমনা আনিব, সেই দলটোৱেই বিজয়ী হ'ব ।